# নাগৰিকৰ সত্যনিষ্ঠাৰ শপত

মই বিশ্বাস কৰো যে ভ্ৰষ্টাচাৰ হ'ল আমাৰ দেশৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক প্ৰগতিৰ এটা ডাঙৰ বাধা। মই বিশ্বাস কৰো যে সকলো অংশীদাৰ যেনে চৰকাৰ, নাগৰিক আৰু বেচৰকাৰী খণ্ডই ভ্ৰষ্টাচাৰ নিৰ্মূলকৰণৰ কাৰণে একত্ৰিত হৈ কাম কৰাতো আৱশ্যক।

মই অনুভৱ কৰো যে প্ৰত্যেকজন নাগৰিকেই সদা সতৰ্ক হৈ থকাতো উচিৎ আৰু সকলো সময়তে সত্যনিষ্ঠা আৰু সংহতি বজাই ৰাখি ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে যুঁজ দিবৰ বাবে বদ্ধপৰিকৰ হ'ব লাগে।
সেয়েহে মই শপত লওঁ :

- জীৱনৰ সকলো খোজতে সত্যনিষ্ঠা আৰু আইনৰ অনুশাসন মানি চলিবলৈ;
- উপঢৌকন নলবলৈ আৰু নিদিবলৈ;
- সকলো কাম সৎ আৰু স্বচ্ছতাৰে সমাধা কৰিবলৈ;
- ৰাজহুৱা স্বাৰ্থৰ হকে কাম কৰিবলৈ;
- সত্যনিষ্ঠা আৰু ব্যক্তিগত সু-আচৰণেৰে উদাহৰণযোগ্য হোৱাকৈ আগভাগ লবলৈ;
- ভ্ৰষ্টাচাৰৰ যিকোনো ঘটনা সম্পৰ্কে যথোপযুক্ত সংস্থাক জনাবলৈ।